No. of Printed Pages—3

438 (AGS)

[16–HDGKACRM–M2]

MA 2nd Semester Exam., 2016

ASSAMESE

(Code : MAS 06)

(অসমীয়া গদ্য-সাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) ভট্টদেৱৰ গদ্যৰীতি সৰ্বসাধাৰণৰ কথিত ভাষাৰ পৰা পৃথক হোৱাৰ কাৰণ কি ?

(খ) 'সাতসৰী অসম বুৰঞ্জী'ত সৰ্বমুঠ কেইখন বুৰঞ্জী অন্তৰ্ভুক্ত হৈছে ? প্ৰত্যেকখন বুৰঞ্জীত থকা বিষয়বস্তুৰ উল্লেখ কৰক।

(গ) নাৰায়ণ দাস ঠাকুৰ আতাৰ পিতৃদত্ত নাম কি আছিল ? তেওঁৰ জন্মস্থানৰ নামটি উল্লেখ কৰক।

(ঘ) 'অৰুণোদই'ত প্ৰকাশিত ৰচনা 'স্ত্ৰী-শিক্ষা'ৰ ৰচক কোন বুলি মহেশ্বৰ নেওগে সম্ভাৱনা ব্যক্ত কৰি গৈছে? মূল পাঠটি কাকতখনৰ কোনটো সংখ্যাত প্ৰকাশিত হৈছিল?

(ঙ) সমালোচক ৰয় প্যাস্কেলে আত্মজীৱনীৰ বিষয়ে কি কৈ গৈছে?

(চ) সাহিত্য আৰু প্ৰেমৰ মাজত কিবা সম্পৰ্ক আছেনে?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) ভট্টদেৱৰ অনুবাদৰ বৈশিষ্ট্যসমূহ কি কি, উল্লেখ কৰক।

(খ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰক :

''বাপু বুঢ়া হলোকে পাণ বেচি এনে বুদ্ধি নজানোনে?''

(গ) অসমীয়া লোকসাহিত্যত নাৰদৰ স্থিতি কি?

(ঘ) তীৰ্থনাথ শৰ্মাৰ গদ্যৰীতিৰ বিষয়ে চমুকৈ লিখক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) নাৰায়ণ দাস ঠাকুৰ আতাৰ গুৰুভক্তি আৰু গুৰুনিষ্ঠা সম্বন্ধে কি জানে, লিখক।

(খ) বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত হাস্য-ব্যঙ্গৰ চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰক।

(গ) প্ৰেম সম্পৰ্কে ডান্টেৰ দৃষ্টিভঙ্গী কেনেধৰণৰ? আলোচনা কৰক।

(ঘ) পৌৰাণিক সাহিত্যত নাৰদ চৰিত্ৰ—এই সম্পৰ্কে চমুকৈ লিখক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) অসমীয়া গদ্য-সাহিত্যত ভট্টদেৱৰ স্থান নিৰ্ণয় কৰক।

(খ) অসমীয়া বুৰঞ্জী সাহিত্যৰ প্ৰসঙ্গত 'সাতসৰী অসম বুৰঞ্জী'ৰ স্থিতি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(গ) 'অচমিয়া ভাষা' আৰু 'স্ত্ৰী-শিক্ষা' পাঠ দুটিৰ আধাৰত অৰুণোদয়ৰ গদ্যশৈলী আৰু বৰ্ণবিন্যাসৰীতি সম্পৰ্কে আলোচনা কৰক।

(ঘ) 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগৰ প্ৰথম অধ্যায়ত বেজবৰুৱাৰ ব্যক্তিগত জীৱন আৰু সমকালীন সমাজ-ব্যৱস্থাৰ বাস্তৱ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰক।

(ঙ) ''কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন।'' কথাষাৰৰ তাৎপৰ্য 'কবিৰ অহৈতুকী প্ৰীতি' শীৰ্ষক পাঠটিৰ আধাৰত আলোচনা কৰক।

★ ★ ★